## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ     বিষয় ঃ ভাষা-১ (অসমীয়া)     চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➪ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙি আৰু গঠন কৰি লিখিব পাৰিব।

➪ ছাত্ৰ-ছাত্ৰীয়ে শিশু উপযোগী ভাওনা, নাটিকা চাই কাহিনীভাগ গদ্যৰূপত নিজাববীয়াকৈ লিখিব পাৰিব।

➪ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পাঠৰ প্ৰাসংগিক কাহিনীৰে সমৃদ্ধ ভাওঁনা, নাটিকা চাই কাহিনী ভাগ নিজাববীয়াকৈ লিখিব পাৰিব।

➪ ছাত্ৰ-ছাত্ৰীয়ে পদ্য/ কবিতা (পাঠ্যপুথি অন্তৰ্গত আৰু পাঠবহিৰ্ভূত) গদ্যৰূপত পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) জন্মদিনৰ আয়োজন | - | পাঠ নং ১৩ |
| খ) গছে যেতিয়া খোজ কাঢ়ে | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমলসামগ্ৰী প্ৰস্তুত কৰোঁতে “শিক্ষা অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

অসম চৰকাৰৰ উদ্যোগত বিদ্যালয়সমূহত ২০১৭ চনত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ গুণোৎসৱৰ ফলাফল মূল্যায়ন কৰি দেখা গৈছে যে চতুৰ্থ শ্ৰেণীৰ লিখনৰ ক্ষেত্ৰত এতিয়াও পুতৌ লগা অৱস্থা । বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও যুক্তাক্ষৰ যুক্ত শব্দ ভাঙি আৰু গঠন কৰি লিখিব নোৱাৰে। যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য লিখিব নোৱাৰে।

ইয়াৰ উপৰি চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠবহিৰ্ভূত বিভিন্ন বিষয়ৰ শিশু উপযোগী ভাওনা, নাটিকা চাই আহি, শ্ৰেণীকোঠাৰ বাহিৰে-ভিতৰে পৰিৱেশন কৰি কাহিনীভাগ নিজাববীয়াকৈ লিখিব নোৱাৰে আৰু কবিতা পঢ়ি গদ্যৰূপত লিখিব নোৱাৰে, অভিধান চাই টান শব্দৰ অৰ্থ উলিয়াই লিখিব নোৱাৰে। এইটো বৰ পৰিতাপৰ কথা। সেইবাবে লিখন অৰ্হতা আয়ত্বকৰণৰ ক্ষেত্ৰত বাধা দিয়া শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰবোৰ চিনাক্ত কৰি সেই ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰাৰ প্ৰয়োজন আহি পৰিছে।

ভাষা শিক্ষনৰ মূল উদ্দেশ্য হ'ল — শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ বিকাশ সাধন কৰা। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰাই লিখন কৌশল আহৰণ কৰে আৰু শিক্ষক তথা অভিভাৱকে এই ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত যাতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক স্তৰৰ পৰাই পৰ্যায়ক্ৰমে লিখন কৌশল শুদ্ধকৈ আয়ত্ব কৰে।

এই সমল সামগ্ৰীত চতুৰ্থ শ্ৰেণীৰ চতুৰ্থ সাময়িকী অনুসৰি দুটা পাঠ ‘জন্মদিনৰ আয়োজন’ (পাঠ নং ১৩)আৰু ‘গছে যদি খোজ কাঢ়ে’ (পাঠ নং ১৪) পাঠ দুটাৰ আধাৰত যথাবিহিত শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে সমৃদ্ধ কৰি এই সমল সামগ্ৰী প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ আধাৰত নতুন-নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি, শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

➪ লিখন কৌশলে বিভিন্ন জনৰ লগত যোগাযোগ কৰাত সহায় কৰে।

➪ লিখনে আমাৰ চিন্তাধাৰা সুস্থভাৱে প্ৰকাশ কৰাত সহায় কৰে।

➪ লিখন কৌশল আয়ত্তকৰণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ বাক্যত ব্যৱহাৰ কৰিব পাৰিব; লগতে শিশুৰ উপযোগী ভাওনা, নাটিকা আদি চাই নিজাববীয়াকৈ লিখিবলৈ সক্ষম হ'ব।

➪ পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পাঠৰ প্ৰাসংগিক কাহিনী নিজাববীয়াকৈ লিখিব পাৰিব।

➪ লিখন কৌশলে ছাত্ৰ-ছাত্ৰীৰ চিন্তন আৰু শিকন স্পষ্ট আৰু স্থায়ী কৰাৰ লগতে তেওঁলোকৰ অগ্ৰগতিৰ মূল্যায়ন কৰিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা আমি শিক্ষক হিচাপে কি শিকিব পাৰিম ?**

➪ এই সমলটো অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ বাবে নতুন-নতুন উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপৰ অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

➪ ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব পাৰিম।

➪ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সময়ত লিখনৰ অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

➪ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখনৰ সবলীকৰণ কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক) যুক্তাক্ষৰ গঠন কৰি আৰু ভাঙি লিখিব পাৰিব। | যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড, যুক্তাক্ষৰ ভঙা আৰু গঠন কৰা কাৰ্ড | ক্ৰিয়াকলাপ,দলগত ক্ৰিয়া-কলাপ | তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙা ঃ<br>শ্চ = ☐ + ☐<br>ন্ধু = ☐ + ☐ + ☐<br>শ্ন = ☐ + ☐<br>ন্ত = ☐ + ☐<br>তলত দিয়া যুক্তাক্ষৰবোৰ জোৰা লগোৱা ঃ<br>শ + ন =<br>শ + চ =<br>ন + ত =<br>ন + ধ + উ = | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত শিশু-নাটিকা অভিনয় কৰি, চাই কাহিনীভাগ নিজাববীয়াকৈ লিখিব পাৰিব। | পাঠ্যপুথি অন্তৰ্ভূক্ত শিশু-নাটিকা আৰু পাঠ বহিৰ্ভূত শিশু নাটিকা, কাগজ পেঞ্চিল | দলগত আৰু যুৰীয়া কাৰ্য ক্ৰিয়া-কলাপ | ১) শিশু নাটিকাৰ(সঁফুৰা)ৰ পৰা শিশু নাটিকা সংগ্ৰহ কৰি অভিনয় কৰা আৰু কাহিনীভাগৰ শুদ্ধ যুক্তাক্ষৰ ভাঙি লিখা।<br>২) তোমাৰ নিজৰ জন্মদিনৰ আয়োজন সম্পৰ্কে মাৰাক এখন সৰু নাটিকা লিখিবলৈ দি লগৰীয়াৰ লগত অভিনয় কৰি চাই কাহিনীটো নিজাববীয়াকৈ লিখা।<br>৩) জন্মদিনৰ আয়োজন, নাটিকাখন অভিনয় কৰি কথোপকথন/কাহিনীভাগ নিজাববীয়াকৈ লিখা।<br>৪) নাটিকাখনত থকা নীতি শিক্ষা এটা লিখা। | |
| পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পদ্য/ কবিতাৰ ভাৰ/ কথাখিনি গদ্যৰূপত লিখিব পাৰিব। | বাতৰি-কাকত, শিশু আলোচনী, পাঠ্যপুথি | দলগত ক্ৰিয়া-কলাপ | ১) বাতৰি-কাকত, শিশু আলোচনীৰ পৰা কবিতা সংগ্ৰহ কৰি কথা/ভাৱখিনি গদ্যৰূপত লিখা।<br>২) 'গছে যেতিয়া কথা পাতে' কবিতাটোৰ কথা/ ভাৱখিনি গদ্য ৰূপত লিখা। | |

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

এই সমল সামগ্ৰীটোত লিখন দক্ষতা বিকাশৰ বাবে ঘটনা অধ্যয়ন, ক্ৰিয়া-কলাপ, অনুশীলন আদিৰ ব্যৱস্থা কৰা হৈছে।

**ঘটনা অধ্যয়ন ঃ**

অংকিতা ৰাভা গোৱালপাৰা জিলাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেখেতে চতুৰ্থ সাময়িকীৰ শিকনৰ ফলাফল অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে নাটিকা অভিনয় কৰি নাটিকাৰ কাহিনীভাগ নিজাববীয়াকৈ লিখিব পাৰিছে নে নাই চাবৰ বাবে যিকোনো সৰু নাটিকা এখন বাচি লৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰিলে। তেখেতে অভিনয় কৰোৱাৰ উদ্দেশ্যে প্ৰথমে দোকানত বেচা-কিনা কৰাৰ ভাও লোৱা, টিকট কিনাৰ ভাও বা ডাক্তৰ আৰু ৰোগীৰ ভাও লববৈলে ছাত্ৰ-ছাত্ৰীক ক'ব পাৰে। অভিনয়ে যি ধৰণে জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীক জীৱন কৌশলৰ ধাৰণা দিয়ে, সেইদৰে প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীক নীতি শিক্ষা প্ৰদান কৰে। গতিকে বিভিন্ন চৰিত্ৰ যুক্ত নাটিকা এখন বাচিলৈ ভালদৰে অনুশীলন কৰি, নাটিকা পৰিৱেশন কৰি, চাই কাহিনীভাগ লিখিববৈলে দিয়াৰ পাছত অংকিতা ৰাভা বাইদেৱে মন কৰিলে যে ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দ ভাঙি আৰু গঠন কৰি লিখিব নোৱাৰে, নাটিকাৰ কাহিনীভাগ নিজাববীয়াকৈ লিখিব নোৱাৰে। তেখেতে সেইবোৰ পৰিকল্পনা কৰি মেজৰ ওপৰত তিনিখন সৰু নাটিকা, যেনে — 'ডাক্তৰ-ৰোগী', 'টিকট কটা আৰু লোৱা মানুহ' আৰু 'বজাৰত বস্তু বেচোঁতা-কিনোঁতা' থৈ দিলে । ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক তিনিটা দলত ভাগ কৰিলে। তেখেতৰ ছাত্ৰ-ছাত্ৰী আছিল ২৫ গৰাকী। এতিয়া প্ৰতিটো দলৰ দলপতিক মেজত থোৱা নাটিকা তিনিখনৰ এখনকৈ ল'ববৈলে দি সেই নামৰ নাটিকা প্ৰতিটো দলৰ তৰফৰ পৰা পৰিৱেশন কৰিববৈলে দিলে। প্ৰতিটো দলৰ দলপতিক অভিনয়ৰ নেতৃত্ব ল'ববৈলে দিলে আৰু বাকীসকলক তেওঁক অনুসৰণ কৰিববৈলে উৎসাহিত কৰিলে। প্ৰতিটো দলকে অংকিতা বাইদেৱে যিমান পাৰি সিমান সহায় কৰিছিল আৰু ভালদৰে নিৰীক্ষণ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে অংকিতা ৰাভাই দেখুওৱা ধৰণে অভিনয় কৰিলে। তেখেতে মোবাইলত ভিডিঅ' ৰেকডিং কৰি তেওঁলোকক বাৰে বাৰে দেখুৱাই ভুলবোৰ শুধৰাই দিছিল।

ইয়াৰ পাছত তিনিওখন নাটকৰ কাহিনীভাগ তেখেতে প্ৰতিটো দলতে প্ৰত্যেককে লিখিববৈলে দিছিল। দুই তৃতীয়াংশ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ যুক্তাক্ষৰ সহ কাহিনীভাগ লিখিছিল আৰু যুক্তাক্ষৰ ভুলকৈ লিখা ছাত্ৰ-ছাত্ৰীখিনিৰ বাবে তেখেতে বিশেষ ব্যৱস্থা লৈছিল। কাৰ্ডত যুক্তাক্ষৰবোৰ লিখি পাছত যুক্তাক্ষৰবোৰ ভাঙি আৰু গঠন কৰি লিখি ভুল কৰা ছাত্ৰ-ছাত্ৰীবোৰক কাৰ্ডবোৰ ভগাই দিছিল আৰু পাছত বোৰ্ডত এই যুক্তাক্ষৰবোৰ ভাঙি আৰু গঠন কৰি লিখি দেখুৱাইছিল আৰু পঢ়ি দিছিল। কেইবাবাৰো মাতি দিয়াৰ পাছত দেখিছিল যে ছাত্ৰ-ছাত্ৰীসকলে শুদ্ধকৈ লিখিববৈলে সমৰ্থ হৈছে।

অংকিতা ৰাভাই কাণেৰে কম শুনা বিষুওক বাকী ছাত্ৰ-ছাত্ৰীৰ লগত সমানে অংশ গ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰিছিল। বাইদেৱে যুক্তাক্ষৰবোৰ আকৌ বোৰ্ডত লিখি দিছিল।

শ্চ = ন + চ     ঞ্জ = ঞ + জ

ন্ত = ন + ত     স্ক = স + ক

ন্ম = ন + ম

তেখেতে টান শব্দবোৰ বাছি উলিয়াই, অভিধান চাই, অৰ্থবোৰ ছাত্ৰ-ছাত্ৰীক লিখিববৈলে দিয়াত ছাত্ৰ-ছাত্ৰীয়ে অভিধান চাই টান শব্দবোৰৰ অৰ্থ লিখি গৈছিল।

**চিন্তা কৰি চাওঁ আহক ঃ**

এই ক্ৰিয়া-কলাপটো কৰোঁতে সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছে নে?

ক্ৰিয়া-কলাপটো আনন্দদায়ক হৈছে নে?
অংকিতা ৰাভা বাইদেৱে কৰাৰ দৰে আমিও এটা ক্ৰিয়া-কলাপ কৰি চাব পাৰোঁ হঁক।

**ক্ৰিয়া-কলাপ - ১**

চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে নাটিকা অভিনয় কৰি কাহিনীভাগ শুদ্ধ যুক্তাক্ষৰে যুক্ত বাক্যৰে শুদ্ধকৈ লিখাবৰ বাবে তলত দিয়া ক্ৰিয়া-কলাপটো কৰিব পাৰি। ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰী হ'ল —

— কাগজ, কলম

— যুক্তাক্ষৰ ভগা কাৰ্ড ঃ [শ] +[ন] = , শ + চ = , ন + ত =

— যুক্তাক্ষৰ গঠন কৰা কাৰ্ড ঃ শ্চ = শ্চ = □ + □, শ্ন = □ + □, ন্ত = □ + □, ন্ম = □ + □

এতিয়া পাঠ নং ১৩ 'জন্মদিনৰ আয়োজন' পাঠটো উলিয়াই লৈ শিক্ষকে প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ জনীয়া দলত ভাগ কৰি পাঠত থকা নাটিকাখন অভিনয় কৰিবলৈ ক'ব আৰু এইক্ষেত্ৰত প্ৰতিটো দলৰ দলপতিক সক্ৰিয়ভাৱে অভিনয় কৰিবলৈ ক'ব। বাকীসকলক অন্য কামত সহায় কৰিবলৈ ক'ব। নাটিকাখন অনুশীলন কৰোতে শিক্ষকে সহায় কৰিব। অভিনয় কৰাৰ পাছত নাটকৰ কাহিনীভাগ শুদ্ধকৈ বহীত লিখিবলৈ দিব। সকলোৱে অংশগ্ৰহণ কৰাত শিক্ষকে গুৰুত্ব দিব। কাহিনীটো লিখোতে যদি ছাত্ৰ-ছাত্ৰীবোৰে যুক্তাক্ষৰ লিখোতে ভুল কৰা দেখা পায় তেতিয়া অংকিতা ৰাভাৰ দৰে তেখেতে যুক্তাক্ষৰ গঠন কৰা আৰু ভঙা কাৰ্ডসহ যুক্তাক্ষৰযুক্ত শব্দবোৰ দলত ভগাই দিব আৰু এইবোৰ বোৰ্ডত লিখি তলত দিয়া ধৰণে বুজাই দিব।

[শ] + [চ] = □ [ন] + [ধ] = □
[শ] + [ন] = □ [ঞ] + [জ] = □
[ন] + [ত] = □

শ্চ = □ + □ [ন্ধু] = □ + □ + □
শ্ন = □ + □ [ঞ্জ] = □ + □
ন্ত = □ + □

দেখা গ'ল যে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উৎসাহী হৈ পৰিছে, কিয়নো আগতে তেওঁলোকে কেতিয়াও অভিনয় কৰা নাছিল। তেওঁলোকে অনুশীলন কৰোতে আৰু পৰিৱেশন কৰোতে যথেষ্ট আনন্দেৰে ইয়াক উপভোগ কৰিছিল আৰু বুজি পাইছিল।

ক্ৰিয়া-কলাপ - ২

পদ্য পঢ়ি গদ্য আকাৰে লিখিবলৈ হ'লে তলত দিয়াধৰণে ক্ৰিয়া-কলাপ আমি কৰিব পাৰোঁ। পাঠ্যপুথিৰ পৰা 'গছে যেতিয়া খোজকাঢ়ে' কবিতাটো বোৰ্ডত লিখি দি কবিতাটোৰ এটাকৈ স্তৱক কাগজৰ পাঁচটা টুকুৰাত লিখি দলত ভগাই দিয়াৰ পাছত প্ৰতিটো দলকে স্তৱকটোৰ কথাখিনি গদ্যত লিখিবলৈ দিব পাৰি। একেবাৰে শেষত প্ৰতিটো দলৰ পৰা গদ্যখিনি সংগ্ৰহ কৰি এজন দলপতিক মাতি আনি বোৰ্ডত লিখিবলৈ দিব পাৰি।

এই ক্ষেত্ৰত আগতীয়াকৈ অৱশ্যে শিক্ষকে ছাত্ৰ-ছাত্ৰীক গদ্য কেনেকৈ লিখা হয় বুজাই দিয়া উচিত।

***বিঃদ্ৰঃ — ক্ৰিয়া-কলাপ কৰোঁতে অংকিতা বাইদেৱে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক যথোপযুক্ত সুবিধা দিছিল।***

**সাৰাংশঃ**

এই ক্ৰিয়া-কলাপটোৰ জৰিয়তে —

⇨ ছাত্ৰ-ছাত্ৰীসকলে আনন্দমনেৰে ক্ৰিয়া-কলাপত/অভিনয়ত ভাগ লৈছে।

- ⇨ সকলোৰে সমানে অংশগ্ৰহণ কৰিছে।
- ⇨ নাটিকা চাই নাটিকাৰ কাহিনী নিজাববীয়াকৈ লিখিব পাৰিছে।
- ⇨ যুক্তাক্ষযুক্ত শব্দ ভাঙি আৰু গঠন কৰি লিখিব পাৰিছে।
- ⇨ পদ্য কবিতা পঢ়ি গদ্যত লিখিবলৈ সক্ষম হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশল দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নসমূহ দি চাওঁ আহক —

- ⇨ শিশু আলোচনী (সঁফুৰা) ৰ পৰা শিশু নাটিকা সংগ্ৰহ কৰি অভিনয় কৰা আৰু কাহিনী ভাগত থকা যুক্তাক্ষৰসমূহ শুদ্ধকৈ ভালকৈ লিখাৰ অভ্যাস কৰা।
- ⇨ তোমাৰ নিজৰ জন্মদিনৰ আয়োজন সম্পৰ্কে মাৰা এখন নাটিকা লিখিবলৈ দি তুমি আৰু তোমাৰ লগৰীয়াসকলে মিলি অভিনয় কৰা আৰু চাই কাহিনী আকাৰে নিজাববীয়াকৈ লিখা।
- ⇨ বাতৰি-কাকত, শিশু আলোচনীৰ পৰা কবিতা সংগ্ৰহ কৰি কবিতাটো গদ্যৰূপত লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

- ⇨ ‘জন্মদিনৰ আয়োজন’ নাটিকাখন অভিনয় কৰি চাই কাহিনীভাগ নিজাববীয়াকৈ লিখা।
- ⇨ নাটিকাখনত থকা নীতিশিক্ষা এটা লিখা।
- ⇨ যুক্তাক্ষৰবোৰ ভাঙা

  শ্চ = ☐ + ☐,  ন্ধু = ☐ + ☐ + ☐

  শ্ন = ☐ + ☐ + = ,  ন্ত = ☐ + ☐
- ⇨ যুক্তাক্ষৰবোৰ জোৰা লগোৰা।

  শ + চ = ☐

  ন + ধ + উ = ☐

  স + ত = ☐

  স + ন = ☐
- ⇨ ‘গছে যেতিয়া কথা পাতে’ - কবিতাটোৰ ভাৰ/কথাখিনি গদ্যত লিখা।

**প্ৰসংগ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (চতুৰ্থ ভাগ)
- ⇨ অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি — মদন শৰ্মা।
- ⇨ চন্দ্ৰ কান্ত অভিধান — চন্দ্ৰ প্ৰকাশ।
- ⇨ হেমকোষ অভিধান — হেমচন্দ্ৰ বৰুৱা।